**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 30-OCT-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

---

১। ৰাজ্যৰ ২ হাজাৰ ১৩৫ খন ৰাস সমিতিক এককালীন আৰ্থিক সাহায্য আগবঢ়োৱাৰ বাবে অসম মন্ত্ৰীসভাৰ সিদ্ধান্ত গ্ৰহণ।

২। এছিয়ান ডেভেলপমেণ্ট বেংকৰ আৰ্থিক সাহায্যৰে ২ হাজাৰ ২০৫ কোটি টকাৰ ব্যয় সাপেক্ষে ৰাজ্যৰ বান খহনীয়া প্ৰতিৰোধৰ ব্যৱস্থা।

৩। অসমত শীঘ্ৰে অষ্টম দৰমহা আয়োগ গঠন কৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ঘোষণা।

৪। লখিমপুৰত ৪০ লাখ টকা ব্যয়ৰে নিৰ্মাণ কৰা ১৭ ফুট উচ্চতাৰ ড০ ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্তি আজি মুখ্যমন্ত্ৰীৰ উন্মোচনৰ কাৰ্যসূচী। **আৰু**

৫। আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত আজি ভাৰত অষ্ট্ৰেলিয়াৰ মুখামুখি।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত কালি দিছপুৰ লোকসেৱা ভৱনত অনুষ্ঠিত অসম মন্ত্ৰীসভাৰ বৈঠকত ৰাজ্যৰ ২ হাজাৰ ১৩৫ খন ৰাস সমিতিক এককালীন আৰ্থিক সাহায্য আগবঢ়োৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। সেই অনুসৰি মাজুলীৰ ৬৭ খন ৰাস সমিতিক ৫০ হাজাৰ টকাকৈ আৰু ৰাজ্যৰ আন আন প্ৰান্তৰ ২ হাজাৰ ৬৮ খন ৰাস সমিতিক ২৫ হাজাৰ টকাকৈ অনুদান আগবঢ়োৱা হ'ব। অসম মন্ত্ৰীসভাই ৰাজ্যৰ বান আৰু খহনীয়া সমস্যা প্ৰতিৰোধৰ বাবে এছিয়ান ডেভেলপমেণ্ট বেংকৰ আৰ্থিক সাহায্যৰে ২ হাজাৰ ২০৫ কোটি টকাৰ ব্যয় সাপেক্ষে বিভিন্ন প্ৰকল্পৰ প্ৰস্তাৱত অনুমোদন জনাইছে। এই প্ৰকল্পৰ অধীনত ৰাজ্যৰ ১৩ খন জিলাক সামৰি ৬৬ কিলোমিটাৰ দৈৰ্ঘ্যৰ এলেকাত খহনীয়া প্ৰতিৰোধী কাম-কাজ কৰাৰ লগতে ৩৩ কিলোমিটাৰ দৈৰ্ঘ্যৰ মথাউৰি নিৰ্মাণ, ১৭ কিলোমিটাৰ দৈৰ্ঘ্যৰ এলেকাত প্ৰচলিউচনৰ কাম কৰা হ'ব। তদুপৰি বান আৰু খহনীয়াত ব্ৰহ্মপুত্ৰ জাহ যোৱা ভূমি পুনৰ উদ্ধাৰৰ বাবে চৰকাৰে এই আঁচনিৰ অধীনত কাম কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

**বাইট (চি এম)**

কালি অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত ভাৰতৰত্ন ড০ ভূপেন হাজৰিকাৰ জন্মশতবাৰ্ষিকী উদযাপনৰ মাজতে অহা ৫ নৱেম্বৰত বিশ্ববৰেণ্য শিল্পীগৰাকীৰ মৃত্যু তিথি বিশেষভাৱে পালন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। আনহাতে বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য আৰু উপ-মুখ্য কাৰ্যবাহী সদস্যগৰাকীক কেবিনেট মন্ত্ৰীৰ মৰ্যাদা প্ৰদানৰ বাবেও মন্ত্ৰীসভাই অনুমোদন জনাইছে। এই মৰ্যাদা বি টি এ ডি এলেকাৰ অধীনৰ জিলাসমূহত প্ৰযোজ্য হ'ব। মৰাণ আৰু মটক জনগোষ্ঠীৰ লোকসকলক দ্বিতীয় পৰ্যায়ৰ মিছন বসুন্ধৰাৰ অধীনত ৫০ বিঘালৈকে মাটিৰ ম্যাদি পট্টা প্ৰদানতো মন্ত্ৰীসভাই অনুমোদন জনাইছে। উল্লেখযোগ্য যে কালি অনুষ্ঠিত বৈঠকত অসম আৰক্ষী সংশোধনী বিধেয়ক ২০২৫ত অনুমোদন জনোৱা হয়। ইয়াৰ জৰিয়তে ৰাজ্যৰ জিলা আৰক্ষী দায়বদ্ধতাসমূহ পুনৰ গঠন কৰা হ'ব। মন্ত্ৰীসভাই অসম গাঁওৰক্ষী বাহিনীৰ নিয়মাবলী ১৯৮৬ৰ সংশোধনীত অনুমোদন জনায়। এই সংশোধনী অনুসৰি গাঁওৰক্ষী বাহিনীৰ সদস্যৰ বয়সৰ ঊৰ্ধসীমা পূৰ্বৰ ৫০ বছৰৰ পৰা ৪০ বছৰলৈ হ্ৰাস পাব। যোৰহাট জিলাত নিৰ্মাণ হৈ থকা লাচিত বৰফুকন স্মাৰক আৰু

সাংস্কৃতিক প্ৰকল্প নিৰ্মাণৰ বাবে ২৪৯ কোটি ৭৮ লাখ টকাৰ সংশোধনী প্ৰকল্প ব্যয়তো কালি মন্ত্ৰীসভাই অনুমোদন জনায়।

০০০০০০

ৰাজ্যৰ কৰ্মচাৰীসকলে কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীৰ সমহাৰত দৰমহা আৰু অন্যান্য সা-সুবিধা লাভ কৰিব পৰাকৈ শীঘ্ৰেই অসমত অষ্টম দৰমহা আয়োগ গঠন কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি লোকসেৱা ভৱনত আয়ুষ্মান অসম- মুখ্যমন্ত্ৰী লোকসেৱক আৰোগ্য যোজনা আনুষ্ঠানিকভাৱে মুকলি কৰি দিয়া ভাষণত এই বিষয়ে প্ৰকাশ কৰে। দৰমহা আয়োগ গঠন সন্দৰ্ভত কৰ্মচাৰী সংগঠনসমূহৰ কোনো পৰামৰ্শ থাকিলে ১৫ দিনৰ ভিতৰত ৰাজ্যৰ মুখ্য সচিবক জমা দিবলৈ মুখ্যমন্ত্ৰীয়ে আহ্বান জনায়। উল্লেখযোগ্য যে শেহতীয়াকৈ কেন্দ্ৰীয় চৰকাৰে কৰ্মচাৰীসকলৰ বাবে অষ্টম দৰমহা আয়োগ গঠন কৰিছে। আয়োগৰ নিৰ্দিষ্ট প্ৰক্ৰিয়া সম্পন্ন হোৱাৰ পাছতে শীঘ্ৰেই দাখিল কৰিবলগীয়া প্ৰতিবেদনৰ ভিত্তিত দৰমহা, পাৰিতোষিক আৰু অৱসৰকালীন সা-সুবিধাসমূহ বৃদ্ধি কৰা হ'ব। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, যে ৰাজ্যত দৰমহা আয়োগ গঠন কৰি কৰ্মচাৰীসকলক কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীসকলৰ সমহাৰত দৰমহা আৰু সা-সুবিধা দিয়াৰ বাবে পৰিকল্পনা লোৱা হৈছে, যাতে ৰাজ্যিক কৰ্মচাৰীসকলে কেন্দ্ৰীয় চৰকাৰে ঘোষণা কৰা দিনাৰ পৰাই এই সা-সুবিধাসমূহ পাব পাৰে। মুখ্যমন্ত্ৰীৰ এই ঘোষণাক সদৌ অসম কৰ্মচাৰী পৰিষদে আদৰণি জনাইছে। ইয়াৰ আগেয়ে আয়ুষ্মান অসম- মুখ্যমন্ত্ৰী লোকসেৱক আৰোগ্য যোজনা মুকলি কৰি মুখ্যমন্ত্ৰীয়ে কয়, যে এই যোজনাৰ অধীনত ৰাজ্য চৰকাৰৰ কৰ্মচাৰী, পেঞ্চনাৰ আৰু তেওঁলোকৰ ওপৰত নিৰ্ভৰশীল পৰিয়ালৰ সদস্যসকলে নগদবিহীন চিকিৎসা সেৱা লাভ কৰিব। মুখ্যমন্ত্ৰীয়ে কালি আনুষ্ঠানিকভাৱে এই যোজনাৰ অধীনত ৰাজ্যিক কৰ্মচাৰীসকলৰ বাবে স্বাস্থ্য পত্ৰ প্ৰদান কৰে।

এই পদক্ষেপৰ জৰিয়তে ৰাজ্য চৰকাৰৰ বিষয়া কৰ্মচাৰী, পেঞ্চনাৰ আৰু তেওঁলোকৰ পৰিয়ালৰ সদস্যসকলে ৰাজ্যৰ কেতবোৰ অনুমোদিত চিকিৎসালয়ৰ উপৰি দেশৰ কেবাখনো আগশাৰীৰ চিকিৎসালয়ত নগদবিহীন চিকিৎসা সেৱা লাভ কৰিব পাৰিব।

০০০০০০

কাইলৈ মুক্তি পাবলগীয়া প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ জীৱনৰ শেষৰখন ছবি **ৰৈ ৰৈ বিনালে**ৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰে এমাহত সংগ্ৰহ কৰা জি এছ টিৰ ধনৰাশি কলাগুৰু আৰ্টিষ্ট ফাউণ্ডেছনক ওভতাই দিয়া হ'ব। জুবিন গাৰ্গৰ পত্নী গৰিমা শইকীয়া গাৰ্গৰ সৈতে আলোচনাৰ অন্তত শিল্পীগৰাকীয়ে প্ৰতিষ্ঠা কৰা কলাগুৰু আৰ্টিষ্ট ফাউণ্ডেছনক এই ধন প্ৰদান কৰাৰ সিদ্ধান্ত লোৱা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কালি দিশপুৰৰ লোকসেৱা ভৱনত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ পাছত এখন সংবাদমেলত এইকথা প্ৰকাশ কৰে। ড° শৰ্মাই কয়, যে অসমত কোনো ছবিৰ বাবে মনোৰঞ্জন কৰ লোৱা নহয় যদিও কেন্দ্ৰীয় চৰকাৰে ছবিৰ টিকটৰ বিনিময়ত কৰ সংগ্ৰহ কৰে। এশ টকাতকৈ অধিক মূল্যৰ টিকটত ১৮ শতাংশ আৰু এশ টকাতকৈ কম মূল্যৰ টিকটত ৫ শতাংশ জি এছ টি সংগ্ৰহ কৰা হয়। এমাহৰ পাছত সংগ্ৰহ কৰা মুঠ জি এছ টিৰ ৫০ শতাংশ ৰাজ্য চৰকাৰক ওভতাই দিয়ে বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে।

**বাইট (চি এম)**

০০০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে লখিমপুৰত উপস্থিত হ'বলগীয়া মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বিয়লি উত্তৰ লখিমপুৰৰ খেলমাটিত ৪০ লাখ টকা ব্যয়ৰে নিৰ্মাণ কৰা ১৭ ফুট উচ্চতাৰ ড০ ভূপেন হাজৰিকাৰ এটা প্ৰতিমূৰ্তি উন্মোচন কৰিব। তদুপৰি ১৫ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথৰ শিৱমন্দিৰৰ পৰা নৰ্থ লখিমপুৰ কলেজ চাৰিআলিলৈ ২ কোটি ৮৭ লাখ টকাৰে নিৰ্মাণ কৰা পথছোৱাও তেওঁ উদ্বোধন কৰিব। কাইলৈ তেওঁ লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত আয়োজিত এখন জনসভাত ভাষণ দিব। মুখ্যমন্ত্ৰীগৰাকীয়ে এই সভাতে ২৮৯ কোটি টকা ব্যয় সাপেক্ষে

নির্মাণ কৰা ২০৫ খন বিছনাযুক্ত লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ চুপাৰ স্পেছিয়েলিটি হাস্পতাল আৰু নাৰ্ছিং কলেজ নির্মাণৰ আধাৰশিলা স্থাপন কৰিব। ড০ শৰ্মাই লগতে ৩০ খন আসনযুক্ত লখিমপুৰ কেন্সাৰ হাস্পতালৰ কেইবাটাও বিভাগ ৰাইজৰ বাবে মুকলি কৰিব। এই অনুষ্ঠানত লখিমপুৰ জিলাৰ অভিভাৱক মন্ত্রী ডাঃ ৰণোজ পেগু, সাংসদ প্রদান বৰুৱা, বিধায়ক মানৱ ডেকা, নবকুমাৰ দলৈ আৰু ড০ অমিয় কুমাৰ ভূঞাও অংশগ্রহণ কৰিব।

মুখ্যমন্ত্রীগৰাকীয়ে আজি মুখ্যমন্ত্রী মহিলা উদ্যমিতা আঁচনিৰ অধীনত শদিয়া বিধানসভা সমষ্টিৰ ২৭ হাজাৰ ৫৭৩ গৰাকী আত্মসহায়ক গোটৰ হিতাধিকাৰীক ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰিব। এই উপলক্ষে শদিয়াৰ চপাখোৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত আয়োজিত এটা অনুষ্ঠানত মুখ্যমন্ত্রীয়ে জনসাধাৰণক উদ্দেশি ভাষণ দিব। ড° শৰ্মাই কাইলৈ ডুমডুমা বিধানসভা সমষ্টিৰ হিতাধিকাৰীসকলৰ মাজত উদ্যমিতা পুঁজিৰ চেক বিতৰণ কৰিব।

০০০০০০

বাক্সা জিলা প্রশাসনে আজি চতুর্থ বাৰৰ বাবে জিলা দিৱস উদযাপন কৰিছে। ২০০৩ চনৰ আজিৰ দিনটোতে বি টি চি চুক্তি অনুসৰি নলবাৰী, কামৰূপ আৰু বৰপেটা জিলাৰ কিছু অংশ সামৰি বাক্সা জিলা গঠন কৰা হৈছিল। জিলা দিৱস উপলক্ষে আজি চাইকেল সমদলৰ উপৰি বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত হ'ব। এই দিৱস উদযাপন সন্দৰ্ভত এয়া আমাৰ বাক্সা জিলাৰ সংবাদদাতা দামোদৰ তালুকদাৰ –

বাইট

চিৰাং জিলা প্রশাসনেও আজি জিলা দিৱস উদ্‌যাপন কৰিছে। এই উপলক্ষে প্রভাত ফেৰীৰে কাৰ্যসূচী আৰম্ভ কৰাৰ পাছত হাফ মাৰাথন অনুষ্ঠিত হয়। দিনৰ ১০ বজাত স্মৃতি তৰ্পণ আৰু ১১ বজাত মাদক দ্রব্য বিৰোধী সমদল উলিওৱা হ'ব। আবেলি জিলা দিৱসৰ মূল কাৰ্যসূচীত বি টিচিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্রামা মহিলাৰীয়ে অংশ ল'ব। শ্রী মহিলাৰীয়ে জিলা আয়ুক্ত কাৰ্যালয় চৌহদত নৱনির্মিত বিষয়াৰ ভৱন উদ্বোধন কৰিব।

০০০০০০

ৰাজ্যত ২০০৮ চনৰ ৩০ অক্টোবৰত সংঘটিত উগ্রপন্থীৰ ধাৰাবাহিক বোমা বিস্ফোৰণৰ ঘটনাৰ আজি ১৭ বছৰ সম্পূর্ণ হৈছে। গুৱাহাটী, কোকৰাঝাৰ, বঙাইগাঁও আৰু বৰপেটা ৰোডত সংঘটিত বোমা বিস্ফোৰণত বহু লোকে প্রাণ হেৰুৱাইছিল। মুখ্যমন্ত্রী হিমন্ত বিশ্ব শৰ্মাই উগ্রপন্থীৰ দ্বাৰা সংঘটিত ধাৰাবাহিক বোমা বিস্ফোৰণত প্রাণ হেৰুওৱা লোকসকললৈ গভীৰ শ্রদ্ধাঞ্জলি জনাইছে। মুখ্যমন্ত্রীয়ে উগ্রপন্থীৰ বৰ্বৰতাত প্রাণ হেৰুওৱাৰ উপৰি বহু লোকক চিৰদিনৰ বাবে ঘূণীয়া কৰা এই বিস্ফোৰণৰ ঘটনাৰ কথা উল্লেখ কৰি আহত প্রতিগৰাকী ব্যক্তি আৰু আপোনজনক হেৰুওৱা লোকসকলৰ পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। গুৱাহাটী মহানগৰীৰ গণেশগুৰিত মৃত্যু হোৱা লোকসকললৈ শ্রদ্ধাঞ্জলি জনাই বন্তি প্রজ্বলন কৰা হ'ব। সদৌ অসম ছাত্র সন্থাই আজি ৰাজ্যজুৰি বোমা বিস্ফোৰণত নিহত সকললৈ বন্তি প্রজ্বলনেৰে শ্রদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰিছে।

০০০০০০

ভাৰত আজি মহিলাৰ আই চি চি এদিনীয়া বিশ্বকাপ ক্রিকেট প্রতিযোগিতাৰ দ্বিতীয়খন ছেমি ফাইনেলত অষ্ট্রেলিয়াৰ মুখামুখি হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি বিয়লি ৩ বজাত নবী মুম্বাইৰ ড° ডি ৱাই পাটিল স্পৰ্টছ একাডেমী খেলপথাৰত আৰম্ভ হ'ব। আকাশবাণীয়ে বিয়লি আঢ়ৈ বজাৰ পৰা হিন্দী আৰু ইংৰাজী ভাষাত খেলখনৰ চলন্ত বিৱৰণী প্রচাৰ কৰিব।

ইপিনে, দক্ষিণ আফ্রিকা প্রতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে। গুৱাহাটীৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত প্রতিযোগিতাৰ প্রথমখন ছেমি ফাইনেলত কালি দক্ষিণ আফ্রিকাই ইংলেণ্ডক ১২৫ ৰানৰ বৃহৎ ব্যৱধানত পৰাস্ত কৰে। খেলখনত প্রথমে বেট ধৰাৰ আমন্ত্রণ লাভ কৰি দক্ষিণ আফ্রিকাই নির্ধাৰিত ৫০ অ'ভাৰত ৭ উইকেটৰ বিনিময়ত ৩১৯ ৰান সংগ্ৰহ কৰে। প্রত্যুত্তৰত ইংলেণ্ডে ৪২ অভাৰ আৰু ৩টা বলত ১৯৪ ৰান কৰি আটাইকেইটা উইকেট হেৰুৱায়।

০০০০০০

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, এফ এম বেণ্ডৰ ১০১ দশমিক ৬ মেগাহাৰ্ট্জত শুনিছে। নামনি অসমৰ শ্ৰোতাসকলে আমাৰ এই বাতৰি এফ এম বেণ্ডৰ ১০২ মেগা হাৰ্টজত আকাশবাণী কোকৰাঝাৰ কেন্দ্ৰৰ পৰা, ১০৩ দশমিক ৩ মেগা হাৰ্টজত আকাশবাণী ধুবুৰী কেন্দ্ৰৰ পৰা, ১০২ দশমিক ৬ মেগা হাৰ্টজত গোৱালপাৰা ৰিলে কেন্দ্ৰৰ পৰা শুনিবলৈ পাইছে।

এই বাতৰি আমাৰ **ফে'চবুক পেজ-এ আই আৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙৰ** লগতে নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৰাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

০০০০০০

শোকাকুল পৰিৱেশত শিল্পী জুবিন গাৰ্গৰ চিতাভস্ম কালি মহাবাহু ব্ৰহ্মপুত্ৰত বিসৰ্জন দিয়াৰ বাতৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহে প্ৰথম পৃষ্ঠাত আলোকচিত্ৰসহ প্ৰকাশ কৰিছে। ৰাস মহোৎসৱ উদযাপন সমিতিসমূহক একালীন সাহায্য দিয়া হ'ব বুলি ৰাজ্যিক কেন্দ্ৰীয় কেবিনেটে সিদ্ধান্ত গ্ৰহণ কৰাৰ বাতৰি **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। ২০৩০চনৰ ভিতৰত বিশ্বৰ প্ৰতি ৫ জন নাবিকৰ এজন ভাৰতীয় হ'ব- মুম্বাইত ভাৰত সামুদ্ৰিক  নেতৃত্ব সন্মিলনত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে এইদৰে মন্তব্য কৰাৰ বাতৰি এটা **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। শিল্পী জুবিন গাৰ্গৰ শেষ ছবি ৰৈ ৰৈ বিনালেৰ জি এছ টি কলাগুৰু আৰ্টিষ্ট ফাউণ্ডেচনক প্ৰদান কৰা হব বুলি মন্ত্ৰীসভাই সিদ্ধান্ত গ্ৰহণ কৰা বাতৰিটো **দি আছাম ট্ৰিবিউন, অসমীযা খবৰ** কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে। অসম লোকসেৱা আয়োগৰ নিযুক্তি কেলেংকাৰীত দোষী সাব্যস্ত ৮ জন ৰাজপত্ৰিত বিষয়াক উচ্চ ন্যায়ালয়ৰ কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰাৰ বাতৰিক **আমাৰ অসম** কাকতে প্ৰকাশ কৰিছে। মোদীক চীনত হত্যাৰ চি আই এ ব্লু-প্ৰিণ্ট ফাদিল - এই শিৰোনামেৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক হত্যা কৰাৰ ভয়ংকৰ ষড়যন্ত্ৰ কৰা বুলি আৰ এছ এছৰ মুখপাত্ৰ অৰ্গেনাইজাৰৰ বিস্ফোৰক প্ৰতিবেদনৰ বাতৰিক **নিয়মীয়া বাৰ্তা** কাকতে গুৰুত্বসহকাৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। কেন্দ্ৰৰ সৈতে শান্তি-চুক্তি অব্যাহত থকাৰ সময়তে এন এছ চি এনৰ মুৰব্বী থুইংগালেং মুইভাই নগাসকলৰ সাৰ্বভৌম ৰাষ্ট্ৰৰ দাবী দোহৰাৰ বাতৰিটো **দৈনিক অগ্ৰদূত** কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

০০০০০০

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই কালি ব্ৰহ্মপুত্ৰৰ পাৰ উন্নয়ন প্ৰকল্পস্থলী পৰিদৰ্শন কৰি কাম-কাজৰ বুজ লয়। গুৱাহাটীৰ নতুন আয়ুক্ত ভৱনৰ পৰা কাছাৰী ঘাটলৈ ১ দশমিক ২ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই পথছোৱা সুৰক্ষিত, উন্নত কৰি নিৰ্মাণ কৰাৰ লগতে ব্ৰহ্মপুত্ৰৰ পাৰক সুৰক্ষা দিয়াৰ বাবে শক্তিশালী ৰূপত গঢ়ি তোলা হৈছে। মুখ্যমন্ত্ৰীয়ে লগতে ফাঁচী বজাৰৰ গেটৱে অব্ গুৱাহাটীৰ অত্যাধুনিক ফেৰী টাৰ্মিনেল পৰিদৰ্শন কৰে। মুখ্যমন্ত্ৰীয়ে কয়, যে নতুনকৈ সংযোজিত হ'বলগীয়া এই প্ৰকল্প দুটা বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে নৱেম্বৰত ৰাইজলৈ উচৰ্গা কৰিব।

০০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে হাইস্কুল শিক্ষান্ত পৰীক্ষা ২০২৬ ৰ প্ৰপত্ৰ পূৰণৰ বাবে অহা ১ নৱেম্বৰৰ পৰা ৬ নৱেম্বৰলৈ অনলাইন পোৰ্টেল পুনৰ মুকলি কৰাৰ কথা ঘোষণা কৰিছে। এই সন্দৰ্ভত পৰিষদে এখন অধিসূচনা জাৰি কৰি যিসমূহ পঞ্জীয়নকৃত বিদ্যালয়ে এতিয়াও প্ৰপত্ৰ পূৰণৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰা নাই সেই বিদ্যালয়সমূহক নিৰ্ধাৰিত সময়ৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ আহ্বান জনাইছে। ১ ৰ পৰা ৬ নৱেম্বৰলৈ অনলাইন পোৰ্টেলৰ জৰিয়তে প্ৰপত্ৰ পূৰণ কৰা পৰীক্ষাৰ্থীসকলক দৰিদ্ৰ সীমাৰেখাৰ ওপৰৰ বুলি গণ্য কৰা হব বুলি নিৰ্দেশটোত উল্লেখ কৰা হৈছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ পুৱাৰ ভাগত কুঁৱলী আৰু পৰৱৰ্তী সময়ত ডাৱৰীয়া হৈ থকাৰ লগতে পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩০ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ২২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত মেঘালয়, মণিপুৰ আৰু মিজোৰামত ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ লগতে অৰুণাচল প্ৰদেশ, অসম, ত্ৰিপুৰা আৰু নাগালেণ্ডৰ বতৰ শুকান হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত